# ৰস

**ৰস ঃ** কবিয়ে নিজৰ সৌন্দৰ্য উপভোগ নৈপুণ্যৰ দ্বাৰা মানস সৰোবৰত যি স্বচ্ছ, নিৰ্মল আনন্দ সঞ্চাৰ কৰে, কাব্যৰ জৰিয়তে সেই আনন্দৰ উৎস নিৰ্মাণ কৰি তাক পাঠকৰ মনলৈ প্ৰবাহিত কৰে। কবিতাৰ দ্বাৰা প্ৰবাহিত সেই আনন্দ উৎসই কাব্য আলোচক তথা সহৃদয় সামাজিকৰ হৃদয় প্লাবিত কৰি নিজৰ ৰূপেৰে ৰূপায়িত বা ৰঙেৰে অনুৰঞ্জিত কৰিলে যি একপ্ৰকাৰ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা, মনেৰে কল্পনা কৰিব নোৱাৰা চমৎকাৰাত্মক অনুভূতিৰ উদয় হয় তাকে ৰস বোলে।

ৰসক অধিকাংশ সংস্কৃত আলংকাৰিকে সাহিত্যৰ আত্মা বুলি কৈছে, ই কাব্যৰ প্ৰাণৱস্তু আৰু ইয়াৰ অভাৱত কাব্য নিৰ্জীৱ হৈ পৰে। উদাহৰণস্বৰূপে, গাভৰু যিমান ৰূপৱতী নহওক, যিমানেই অলংকাৰ নিপিন্ধক, আত্মাবিহীন অচেতন শৰীৰত সেইবোৰৰ একো শোভা প্ৰকাশ নোপোৱাৰ দৰে নিৰস কাব্যত অলংকাৰ আৰু গুণবিলাক শোভাহীন হৈ পৰে; অৰ্থাৎ ৰস অবিহনে কাব্য কেতিয়াও সৌন্দৰ্যমণ্ডিত হৈ নুঠে। সেইবাবে সংস্কৃত আলংকাৰিক বিশ্বনাথ কবিৰাজে ৰসাত্মক বাক্যকে কাব্য বুলি কৈছে।

ৰস শব্দৰ আঁতিগুৰি পোনপ্ৰথমে পোৱা যায় ঋক্‌বেদত। অৱশ্যে আলংকাৰিকসকলে ৰস শব্দ যি অৰ্থত ব্যৱহাৰ কৰিছে তাৰ মূল উপনিষদতহে পোৱা যায়। ঋক্‌বেদত ৰস শব্দই পানী বা জুলীয়া পদাৰ্থক বুজাইছিল। কিন্তু উপনিষদৰ যুগত ৰস শব্দৰ অৰ্থ হ'ল সাৰ পদাৰ্থ। বৃহদকাৰণ্যক উপনিষদত আছে— "প্ৰাণোহিব অংগনা ৰসঃ।" আকৌ তৈত্তিৰীয় উপনিষদত আছে "ৰসোবৈসঃ ৰসং হ্যেয়াং লব্ধানন্দী ভৱতি," অৰ্থাৎ ৰস মানে আনন্দ। এই আনন্দময় সত্তাকে উপলব্ধি কৰিবলৈ উপনিষদৰ ঋষিসকলে কঠোৰ তপস্যাত নিমগ্ন হৈছিল আৰু যেতিয়া সেই সত্তাক পাইছিল তেতিয়া সুখ-দুখৰ অতীত পূৰ্ণানন্দ অৱস্থা লাভ কৰিছিল। এই অৱস্থাতে সিদ্ধ ঋষিয়ে গম্ভীৰ স্বৰেৰে 'আনন্দং ব্ৰহ্মেতি' বুলি ঘোষণা কৰিছে। ৰস শব্দৰ এই অৰ্থৰ সুবিধা লৈ পিছৰ আচাৰ্যসকলে সৌন্দৰ্যবোধৰপৰা ওপজা মনৰ অতি জাগতিক আনন্দময় অৱস্থাক ৰস বুলি প্ৰকৃত অৰ্থত যি আস্বাদিত হয়, সিয়েই ৰস। তৰকাৰী, চৰবৎ আদিৰ সোৱাদ যিদৰে নানা উপাদানৰপৰা উৎপন্ন হয়, ৰসো সেইদৰে নানা ভাৱৰপৰা উৎপন্ন হয়।

সংস্কৃতিক আলংকাৰিক ভৰত মুনিয়ে তেওঁৰ নাট্যশাস্ত্ৰত পোনপ্ৰথমে ৰসৰ ব্যাখ্যা আগবঢ়াই গৈছে। এইগৰাকী আলাংকাৰিকৰ মতে ৰস অবিহনে কাব্যৰ কোনো অৰ্থৰে উপক্ৰম হ'ব নোৱাৰে। এই ৰসৰ অনুভূতি কেনেকৈ জাগি উঠে সেই বিষয়ে ভৰত মুনিয়ে নাট্যশাস্ত্ৰত সুপ্ৰসিদ্ধ সূত্ৰটো আগবঢ়াই কৈছে— "বিভাবানুভাৱ ব্যভিচাৰী সংযোগাৎ ৰস নিষ্পত্তি।" অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সংযোগত ৰস নিষ্পত্তি হয়।

ভৰতমুনিয়ে সূত্ৰটোৰ ব্যাখ্যা প্ৰসংগত কৈছে বিভাব আদিৰ সংযোগ ঘটে স্থায়ী ভাৱৰ লগত। সামাজিকৰ মনৰ স্থায়ীভাৱবিলাকে নাট্য কাব্যত বৰ্ণিত বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ দ্বাৰা ভাৱনা পালে শৃংগাৰ, হাস্য, কৰুণ আদি ৰসত পৰিণত হয়। গতিকে ভৰত মুনিৰ ৰস সম্পৰ্কীয় সূত্ৰটো অনুধাৱন কৰিবলৈ হ'লে আমি স্থায়ী ভাৱ, বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ বিষয়ে জনাৰ প্ৰয়োজন আছে। সকলো মানুহৰ অন্তৰতে বাসনা বা সংস্কাৰ ৰূপে কম বেছি পৰিমাণে কিছুমান সহজাত প্ৰবৃত্তি আছে। এনে সহজাত চিত্ত বৃত্তিবোৰকে স্থায়ীভাৱ বোলা হয়। ভৰত মুনিয়ে নাট্যশাস্ত্ৰত ৰতি, হাস, ক্ৰোধ, শোক, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময় নামৰ আঠোটা স্থায়ীভাৱৰ কথা উল্লেখ কৰিছে। তেওঁৰ পিছত আনন্দবৰ্দ্ধন আৰু অভিনৱ গুপ্তই নিৰ্বেদ নামৰ আন এটা স্থায়ীভাৱ স্বীকাৰ কৰি লোৱাত স্থায়ীভাৱ মুঠতে হয়গৈ নটা। এই ভাৱবিলাক মানুহৰ মনত চিৰকাল নিগাজিকৈ থাকে আৰু উপযুক্ত আলম্বন আৰু উদ্দীপনা পালে সেইবোৰে মূৰ দাঙি উঠে। তেতিয়াই সেইবোৰে ৰস-ৰূপে নিগৰি ওলাই আহে।

কোনো নায়ক বা নায়িকাৰ অন্তৰত এটা স্থায়ীভাৱ উদ্রেক হ'লে তেওঁৰ বিশেষ ধৰণৰ শাৰীৰিক চেষ্টা, মুখৰ বচন আদিৰ মাজেদি তাৰ উমান পোৱা যায়। উদাহৰণস্বৰূপে নায়িকাৰ মনত ৰতিভাৱ জাগি উঠিলে তেওঁ নায়কৰ ফালে কটাক্ষ দৃষ্টিৰে চাব। আকৌ নায়কৰ অন্তৰত ক্ৰোধ নামৰ স্থায়ীভাৱ উদ্রেক হ'লে তেওঁৰ চকু ৰঙা পৰিব, ভ্রূ-কোঁচ খাব আৰু হাত মুষ্টিবদ্ধ হ'ব। এইবিলাকে যেতিয়া কাব্য বা নাটকত বৰ্ণিত বা অভিনীত কৰা হয়, তেতিয়া তাক অনুভাৱ বোলা হয়। স্থায়ীভাৱে উদ্রেগ হোৱাৰ ক্ষেত্ৰত বিভাৱক কাৰণ আৰু অনুভাৱক কাৰ্য বুলি কোৱা হয়।

ৰসৰ ক্ষেত্ৰত স্থায়ীভাৱৰ আনুষংগিক ৰূপত মানুহৰ মনৰ আৰু কিছুমান ভাৱ উদয় হয়, যেনে নায়িকাৰ মনত ৰতিভাৱ জাগি উঠিলে কেতিয়াবা তেওঁ নায়কৰ ফালে লাজত মূৰ তুলি চাব নোৱাৰে, এই ক্ষেত্ৰত নৈৰাশ্য, লাজ আদি ব্যভিচাৰী বা সঞ্চাৰী ভাৱ, স্থিতিকালৰ অল্পতাৰ হেতুকে ইহঁতক সঞ্চাৰী ভাৱ বোলা হয়, একোটা স্থায়ীভাৱৰ বেলিকা একাধিক সঞ্চাৰীভাৱে লুকা-ভাকু খেলিব পাৰে।

ওপৰত উল্লেখ কৰা বিভাৱ, অনুভাৱ কাব্য বা নাটকত যেতিয়া কবি-নাট্যকাৰৰ নিপুণ হাতেৰে সন্নিবেশিত হয়, তেতিয়া সেই সকলোবোৰে একেলগে শ্ৰোতা বা সামাজিকৰ স্থায়ীভাৱ গলাই ৰসত পৰিণত কৰে। এনে অৱস্থাত শ্ৰোতা বা সামাজিকৰ মনত বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ সুকীয়া অস্তিত্ব নাথাকে, তিনিওটা এক অখণ্ড সত্তাত পৰিণত হয়। নেমু টেঙা, চেনী, লোণ, পানী আদি পৃথক বস্তুৰ সোৱাদৰূপে চৰবৎ পাণ কৰোঁতাজনে যিদৰে নাপায়, বিভাৱ, অনুভাৱ, সঞ্চাৰী ভাৱৰ সংযোগত সৃষ্টি হোৱা ৰসো বেলেগে বেলেগে উপলব্ধি নহৈ এক অখণ্ড ৰূপত আস্বাদিত হয়।

এনেদৰে মানুহৰ মনৰ নটা স্থায়ীভাৱ, বিভাৱ, অনুভাৱ আৰু সঞ্চাৰীভাৱৰ সংযোগত ন বিধ ৰসলৈ ৰূপায়িত হয়। এই ন বিধ স্থায়ীভাৱ আৰু ৰস হ'ল ক্ৰমে—

| <u>ভাৱ</u> | <u>ৰস</u> |
|---|---|
| ৰতি | শৃংগাৰ |
| হাস | হাস্য |
| শোক | কৰুণ |
| উৎসাহ | বীৰ |
| ক্ৰোধ | ৰৌদ্ৰ |
| ভয় | ভয়ানক |
| জুগুপ্সা | বিভৎস |
| বিষ্ময় | অদ্ভুত |
| সম | শান্ত |

এইদৰে স্থায়ীভাৱ গৈ ৰসত পৰিণত হ'লে তাত পূৰ্বৰ হেঁপাহৰ বিকাৰ নাথাকে। ইয়াকে আলংকাৰিকসকলে সাধাৰণীকৰণ আখ্যা দিছে। এই ৰসবোধ এক বিমল আনন্দময় অৱস্থা। এই অৱস্থাৰ স্বৰূপ প্ৰকাশ কৰিবলৈ গৈ বিশ্বনাথ কবিৰাজে তাক ব্ৰহ্ম সাক্ষাৎকাৰ ৰূপ, পৰমানন্দৰ সহোদৰ বুলি কৈছে।